জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২২/২০২১

# নিজৰ শিক্ষা জীৱনৰ কঠীয়াতলীস্বৰূপ যোৰহাটৰ বাল্য ভৱন হাইস্কুলত উপস্থিত হৈ নষ্টালজিক হৈ পৰিল মুখ্যমন্ত্ৰী

## যোৰহাটৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়, অসম মহিলা বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেখেতৰ শিক্ষা জীৱনৰ কঠীয়াতলীস্বৰূপ যোৰহাটৰ বাল্য ভৱন হাইস্কুল পৰিদৰ্শন কৰে। উল্লেখ্য যে এইবাৰৰ স্বাধীনতা দিৱসৰ ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজে পঢ়ি অহা শিক্ষানুষ্ঠানৰ বাবে কিঞ্চিত হ'লেও কিবা এটা কৰাৰ সংকল্প ল'বলৈ অসমবাসীক আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীয়ে স্বাধীনতা দিৱসৰ ৰাজ্যিক কাৰ্যসূচীৰ ভাষণত লগতে কৈছিল যে তেখেতে নিজেও নিজৰ শিক্ষা জীৱন আৰম্ভ কৰা বিদ্যালয় পৰিদৰ্শন কৰি যৎকিঞ্চিত কিবা এটা কৰাৰ প্ৰয়াস চলাব। এই কথা আখৰে আখৰে পালন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি নিজে প্ৰাক্ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা যোৰহাটৰ ঐতিহ্যমণ্ডিত বিদ্যালয়খনত উপস্থিত হৈ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা তেখেতৰ সেই সময়ৰ দুই-এগৰাকী সহপাঠীৰ সৈতে মত-বিনিময় কৰি যথেষ্ট আৱেগিক হৈ পৰে। আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজৰ শিক্ষা জীৱন আৰম্ভ কৰা বিদ্যালয়খনৰ শ্ৰেণীকোঠাটো দৰ্শন কৰাৰ উপৰি বিদ্যালয়খনৰ সেই সময়ৰ দৈনিক উপস্থিতিৰ বহী প্ৰত্যক্ষ কৰি যথেষ্ট নষ্টালজিক হৈ পৰে।

বিদ্যালয়খন পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ঐতিহ্যমণ্ডিত বাল্য ভৱন হাইস্কুলৰ শিক্ষাগুৰু তথা প্ৰাক্তন সতীৰ্থসকলৰ সৈতে আজি মত-বিনিময় কৰি তেখেতৰ শৈশৱৰ সোণসেৰীয়া দিনবোৰলৈ উভতি যোৱা যেন অনুভৱ হৈছে। মণ্টেশ্বৰী শিক্ষাৰ দৰে দূৰদৰ্শী চিন্তাৰ বাটকটীয়া স্বৰূপ এই বিদ্যালয়খনৰ দৰে অসমৰ আটাইবোৰ প্ৰাথমিক বিদ্যালয়ে যদি সেই সময়তে এনেধৰণৰ দূৰদৰ্শী চিন্তা কৰা হেতেন, অসমৰ শিক্ষা ব্যৱস্থাই এক বিশেষ গতি লাভ কৰিলেহেতেন বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ১৯৭২ চনতে বাল্য ভৱন হাইস্কুলে সেই সময়ৰ ছাত্ৰ-ছাত্ৰীসকলক মধ্যাহ্ন ভোজন প্ৰদান কৰিছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰে আজি মধ্যাহ্ন ভোজন প্ৰদানৰ ব্যৱস্থা কৰিছে। ১৯৭২ চনতে বিদ্যালয়খনে আৰম্ভ কৰা এই ব্যৱস্থা কিমান যে প্ৰাসংগিক আছিল সেই কথা কেন্দ্ৰীয় চৰকাৰৰ মধ্যাহ্ন ভোজনৰ পদক্ষেপে প্ৰমাণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বিদ্যালয়খন পৰিদৰ্শনৰ সময়ত তেখেতক প্ৰদান কৰা স্মাৰক-পত্ৰত উল্লেখিত শৈক্ষিক বিষয়সমূহ

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ জৰিয়তে আগবঢ়াই নিয়াৰ পদক্ষেপ লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে। তেওঁ লগতে কয় যে স্বাধীনতা দিৱসৰ দিনা গ্ৰহণ কৰা সংকল্প অনুসৰি এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে তেওঁ ব্যক্তিগতভাৱেও সম্ভৱপৰ সকলো সহযোগিতা আগবঢ়াব।

মুখ্যমন্ত্ৰীয়ে তেখেতৰ শৈশৱৰ বিদ্যালয়খন পৰিদৰ্শনৰ সময়ত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, কৃষি মন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদদ্বয় তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ত্ৰয় হিতেন্দ্ৰ নাথ গোস্বামী, ৰেণুপমা ৰাজখোৱা, ভবেন্দ্ৰনাথ ভৰালী উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই যোৰহাটৰ ১৩৮ বছৰীয়া ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়খন পৰিদৰ্শন কৰে। উল্লেখ্য যে ১৮৭৬ চনত স্থাপিত উইলিয়ামচন আৰ্টিজান স্কুল আৰু নগা পাহাৰৰ পৰা স্থানান্তৰিত হোৱা ক'হিমা হাইস্কুলক সংলগ্ন কৰি ১৮৮৩ চনত এই ঐতিহ্যমণ্ডিত বিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে শিক্ষানুষ্ঠানখনৰ পুৰণি ভৱনৰ নক্সা অটুত ৰাখি ইয়াৰ ঐতিহ্য সংৰক্ষণ আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে চলাই থকা কাম-কাজো পৰিদৰ্শন কৰে। বিদ্যালয়খন পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ শিথিল পুঁজিৰ পৰা ইতিমধ্যে ঘোষণা কৰা ২ কোটি টকাৰ উপৰি ঐতিহ্যবাহী এই শিক্ষানুষ্ঠানখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে অতিৰিক্তভাৱে আৰু ৩ কোটি টকা প্ৰদান কৰিব বুলি কয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয় পৰিদৰ্শন কৰি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য তথা শিক্ষক সমাজৰ সৈতে মত-বিনিময় কৰে। মত-বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী প্ৰজন্মৰ এক সপোনৰ বিশ্ববিদ্যালয় হিচাপে গঢ়ি তোলাৰ বাবে উদ্ভাৱনী তথা প্ৰযুক্তিগতভাৱে আগবঢ়াৰ পদক্ষেপ লোৱাৰ আহ্বান জনায়। আজিৰ এই পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীয়ে অসম কৃষি বিশ্ববিদ্যালয়ৰ এগ্ৰি ইক'-টুৰিজিম থ্ৰ' গ্ৰীণ ইনচিয়েটিভচ প্ৰজেক্টৰ আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে অসম কৃষি বিশ্ববিদ্যালয়ত থকা অসম মহিলা বিশ্ববিদ্যালয়ৰ অস্থায়ী চৌহদ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্ববিদ্যালয়খনৰ স্থায়ী উপাচাৰ্য এগৰাকী ৰাজ্য চৰকাৰে অচিৰেই নিযুক্তি প্ৰদান কৰিব। তেওঁ লগতে কয় যে অসম মহিলা বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ নিৰ্মাণৰ কামো শীঘ্ৰে আৰম্ভ কৰা হ'ব।

**প্ৰঃকুঃবঃ**

**১৯/০৮/২০২১**